# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী চাকৰি লাভৰ বাবে ৰাজ্যত এতিয়া এটা সুস্থ পৰিবেশ গঢ়ি উঠিছে বুলি মন্তব্য কৰিছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি অসম আৰক্ষী আৰু গৃহ বিভাগত মুঠ ৫ হাজাৰ ৮১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এতিয়া কষ্ট, পৰিশ্ৰম আৰু পঢ়া শুনা কৰিলেহে চৰকাৰী চাকৰি পাব পাৰি। তেওঁ কঠোৰ শ্ৰমেৰে নিযুক্তি লাভ কৰা সকলোকে আদৰ্শ যুৱক-যুৱতী বুলি উল্লেখ কৰি আনকো এনেদৰে অনুপ্ৰাণিত কৰিববলৈ আহ্বান জনায়। নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইতিমধ্যে পূৰ্বৰ প্ৰতিশ্ৰুতি পূৰণ কৰিববলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বে ঘোষণা কৰা ১ লাখ নিযুক্তিৰ ঠাইত বৰ্তমানলৈ ১ লাখ ৪০ হাজাৰ নিবনুৱা যুৱক-যুৱতীক চাকৰি দিয়া হ'ল।

উল্লেখযোগ্য যে আজি নিযুক্তি লাভ কৰাসকলৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থী আছে। চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত বাছনি লাভ কৰা ১২০ গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত শীঘ্ৰে ৫ হাজাৰ কণিষ্টবল পদত নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ পাব বুলি উল্লেখ কৰে।

**বাইট**

ooooo

ৰাজ্যৰ বিভিন্ন ঠাইত আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। বজালী জিলা সমাজ কল্যান বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আৰু পাঠশালাৰ সামাজিক সংস্থা তপোবনৰ সহযোগত আয়োজিত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱসৰ কাৰ্যসূচীত দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন অনুষ্ঠান আয়োজন কৰা হয়। চৰাইদেউ জিলাৰ সোণাৰী শিক্ষাখণ্ডৰ উদ্যোগত পুৰণি টাওকাক প্ৰাথমিক বিদ্যালয়ত দিনযোৱা কাৰ্যসূচীৰে এই দিৱস উদ্‌যাপন কৰা হয়। সোণাৰী শিক্ষাখণ্ডৰ বিভিন্ন বিদ্যালয়ৰ পৰা অহা দিব্যাংগ শিশুসকলৰ মাজত ক্ৰীড়া প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

এই দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তি আৰু প্ৰতিস্থানসমূহক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে।

ooooooo

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত পৰহিলৈ উচ্ছেদ অভিযান চলাব। উচ্ছেদ অভিযানৰ বাবে ইতিমধ্যে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত থকা ৭৫টা পৰিয়ালৰ বাসগৃহত উচ্ছেদ চলাব। জিলা প্ৰশাসনে দখলকাৰীলৈ প্ৰেৰণ কৰা জাননীৰ সময়সীমা আজি উকলিছে। উল্লেখযোগ্য যে দখলকাৰী পৰিয়ালসমূহক ১৫ দিনৰ ভিতৰত দখলীকৃত ভূমি খালী কৰিববলৈ জাননী প্ৰেৰণ কৰিছিল। জাননীৰ পোৱাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি অন্য স্থানলৈ ৰাওনা হৈছে। আজি ৰূপহীহাট আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটা দলে অঞ্চলটো পৰিদৰ্শন কৰি দখলকাৰী পৰিয়ালসমূহক শীঘ্ৰেই চৰকাৰী ভূমি খালী কৰিববলৈ নিৰ্দেশ দিয়ে।

ooooooo

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি জ্যেষ্ঠ নাগৰিক কল্যান পৰিষদৰ উদ্যোগত আৰু অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত আজি বজালী জিলাত জ্যেষ্ঠ শিল্পীসকলৰ মাজত এখন সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। পাঠশালাৰ আজাদ ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত এই প্ৰতিযোগিতাত পাঠশালা, নিত্যানন্দ, পাটাছাৰকুছি আৰু ভৱানীপুৰকে ধৰি বিভিন্ন ঠাইৰ জ্যেষ্ঠ নাগৰিকসকলে অংশগ্ৰহণ কৰে। ৩ টা শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। পাঠশালা সাহিত্য সভাৰ সভাপতি অনিল ডেকাই এই সংগীত প্ৰতিযোগিতা উদ্বোধন কৰি জ্যেষ্ঠ নাগৰিকসকলৰ সংগীত চৰ্চা কৰা কাৰ্যৰ শলাগ লয়।

০০০০০০০

বজালী জিলাৰ চৌখুটিৰ ভালাগুৰি গাঁৱত আজি বিদ্যুৎপৃষ্ট হৈ সঞ্জয় চৌধুৰী নামৰ এজন লোকৰ মৃত্যু হয়। চি আৰ পি এফত কৰ্মৰত লোকজন ছুটি লৈ ঘৰত থকাৰ সময়ত পানী মটৰৰ চুইটছ্ দিয়াৰ সময়তে বিদ্যুৎপৃষ্ট হৈ মৃত্যু হয়। ঘটনাৰ পাছতে পাঠশালা আৰক্ষী আৰু জিলা দণ্ডাধীশে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া ক্ৰিকেট শৃংখলাত দক্ষিণ আফ্ৰিকাই ৩৫৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈ ৪২ অভাৰত ৪ টা উইকেট হেৰুৱাই ২৯৯ ৰান সংগ্ৰহ কৰিছে। দক্ষিণ আফ্ৰিকাৰ হৈ এইডেন মাৰ্কৰামে সৰ্বাধিক ১১০ আৰু দিৱাল্ড ব্ৰেভিছে ৫৪ ৰান কৰে। মেথিউ ব্ৰীটজকে ৬২ আৰু টনি ডি জৰ্জিয়ে ৪ ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩৫৮ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ ঋতুৰাজ গাইকোৱাডে সৰ্বাধিক ১০৫ আৰু বিৰাট কোহলীয়ে ১০২ ৰাণ কৰে। অধিনায়ক কে এল ৰাহুল ৬৬ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ভাৰতে সম্প্ৰতি তিনিখনীয়া শৃংখলাটোত ১-০ৰ অগ্ৰগতি লাভ কৰি আছে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**